# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/৩১/২০২৩-২৪
Ref :

তাৰিখ : ০১-০১-২০২৩
Date :

**অসম জাতীয় বিদ্যালয়ৰ ৩০তম প্ৰতিষ্ঠা দিৱস পালন**

**কৃতী শিক্ষাৰ্থীক আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই প্ৰদান কৰিলে ‘ৰাজ্যপালৰ উৎকৰ্ষ বঁটা’**

**‘মাতৃভাষাতেই পাব পাৰি জীৱনৰ সন্ধান’ ঃ ড° নন্দ সিং বৰকলা**

**নুনমাটি, গুৱাহাটী, ১ জানুৱাৰী ঃ** “জ্ঞান, দক্ষতা আৰু মনোবৃত্তি এই তিনি দিশ এগৰাকী শিক্ষাৰ্থীৰ শৈক্ষিক উত্তৰণৰ মূল চালিকা শক্তি।” আজি নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ ৩০তম প্ৰতিষ্ঠা দিৱসৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসমৰ আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই এই মন্তব্য প্ৰকাশ কৰে। অসমৰ ৰাজ্যপাল মহোদয়ে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্গত বিদ্যালয়সমূহৰ কৃতী শিক্ষাৰ্থীলৈ আগবঢ়োৱা ‘ৰাজ্যপালৰ উৎকৰ্ষ বঁটা’ প্ৰদান কৰি আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে বিদ্যালয়খনৰ শৈক্ষিক দিশ তথা সামগ্ৰিক ব্যৱস্থাটোৰ শলাগ লয়। ২০২২ বৰ্ষৰ বাবে ৰাজ্যপালৰ স্বৰ্ণ পদক লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ সৌৰভ বৰ্মন আৰু টেঙাখাট জাতীয় বিদ্যালয়, ডিব্ৰুগড়ৰ অনিকংকনা গগৈয়ে। আনহাতে ৰাজ্যপালৰ ৰূপৰ পদক লাভ কৰে জাতীয় বিদ্যালয়, ছিপাঝাৰ, দৰঙৰ মেহদী হাছান, মাজুলীৰ জোনাকী জাতীয় বিদ্যালয়ৰ চিত্ৰকমল বৰুৱা আৰু মৰিগাঁও জাতীয় বিদ্যালয়ৰ শাকিৰ মাদানীয়ে। ৰাজ্যপালৰ ব্ৰঞ্জৰ পদক লাভ কৰে নলবাৰীৰ শংকৰদেৱ একাডেমী হাইস্কুলৰ হৃষীকেশ বেজবৰুৱাই। প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত উপস্থিত থকা আন এগৰাকী মুখ্য অতিথি বিশিষ্ট সাহিত্যিক তথা শীৰ্ষ আৰক্ষী বিষয়া ড° নন্দ সিং বৰকলাই মাতৃভাষাতেই জীৱনৰ সন্ধান পাব পাৰি বুলি মন্তব্য কৰে। মাতৃভাষাৰ পৰা পূৰঠ হোৱা জীৱনবোধ আন একোৱে পূৰাব নোৱাৰে বুলি উল্লেখ কৰি বৰকলাদেৱে জনগোষ্ঠীয় ভাষা তথা জীৱন কলা আয়ত্ত কৰি আগবাঢ়ি যাবলৈ সকলোকে আহ্বান জনায়। অনুষ্ঠানৰ আৰম্ভণিতে সকলোৰে উদ্দেশ্যি আদৰণী ভাষণ প্ৰদান কৰি বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে বিজ্ঞানসম্মত শৈক্ষিক কাৰ্য্যসূচীৰে শিক্ষাৰ্থীসকলক আগুৱাই নিবলৈ জাতীয় বিদ্যালয়ে যৎপৰোনাস্তি চেষ্টা কৰি আছে বুলি কয়। আনহাতে বিদ্যালয় পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মাই ডিজিটেল শিক্ষাৰ সংযোজনেৰে নতুন পৰিকল্পনাৰে পৰৱৰ্তী বৰ্ষবোৰত অসম জাতীয় বিদ্যালয়ে শিক্ষাৰ্থীসকলক আগবঢ়াই নিব বুলি প্ৰকাশ কৰে। তদুপৰি এই অনুষ্ঠানতে নতুন শিক্ষাবৰ্ষত নামভৰ্তি কৰা শিক্ষাৰ্থীসকলক ফুলৰ থোপাৰে বিদ্যালয়খনলৈ আদৰণি জনোৱা হয়। প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানতে বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী ৰাহুল গৌতম শৰ্মাৰ কবিতা পুথি ‘এতিয়ালৈ ইমানেই’ উন্মোচন কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থী তথা শিক্ষক-শিক্ষয়িত্ৰীয়ে বিভিন্ন সাংস্কৃতিক কাৰ্য্যসূচী ৰূপায়ণ কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ উপাধ্যক্ষ ৰবীন্দ্ৰ বৰ্মনে। আজিৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ শিক্ষয়িত্ৰী সুদীপ্তা চৌধুৰী আৰু পৰিণীতা চেতিয়াই। প্ৰতিষ্ঠা দিৱসৰ আহ্বায়কৰ দায়িত্বত আছিল কম্পিউটাৰ বিজ্ঞান বিভাগৰ মুৰব্বী শিক্ষয়িত্ৰী নৱনীতা ৰয়।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়